অসমীয়া / Assamese

# মানৱ অধিকাৰৰ সুৰক্ষাকৰ্মী সম্পৰ্কে ৰাষ্ট্ৰসংঘৰ ঘোষণা

## সাৰ্বজনীনভাবে স্বীকৃত মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ সুৰক্ষাৰ তথা প্ৰবৰ্তনৰ বাবে ব্যক্তি, গোট আৰু সমাজৰ অংগ সমূহৰ অধিকাৰ আৰু দ্বায়িত্বৰ ঘোষণা

সাধাৰণ পৰিষদৰ প্ৰস্তাৱ
৫৩/ ১৪৪, ৯ ডিচেম্বৰ ১৯৯৮

অসমীয়া / Assamese

Printed by FORUM-ASIA Translated by NEN

সাধাৰণ পৰিষদৰ প্ৰস্তাৱ ৫৩/ ১৪৪, ৯ ডিচেম্বৰ ১৯৯৮

# সাৰ্বজনীনভাৱে স্বীকৃত মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ সুৰক্ষাৰ তথা প্ৰৱৰ্তনৰ বাবে ব্যক্তি, গোট আৰু সমাজৰ অংগ সমূহৰ অধিকাৰ আৰু দায়িত্বৰ ঘোষণা

# মানৱ অধিকাৰৰ সুৰক্ষাকৰ্মী সম্পৰ্কে ৰাষ্ট্ৰসংঘৰ ঘোষণা

অসমীয়া/Assamese

ISBN:

Copyright © 2010

Cover/Layout:
**skinner+kluke**

Translated by:
**North East Network (NEN)**
J N Borooah Lane
Jorpukhuri, Guwahati – 781001
Assam
India

www.northeastnetwork.org

Printed by:
**Asian Forum for Human Rights and Development (FORUM-ASIA)**
12th Floor, Room 12-01
Times Square Building
246 Sukhumvit Road
Khlong Toei, Khlong Toei
Bangkok, 10110
Thailand

www.forum-asia.org

This book was written for the benefit of human rights defenders and may be quoted from or copied so long as the source and authors are acknowledged.

সাধাৰণ পৰিষদৰ প্ৰস্তাৱ ৫৩/ ১৪৪, ৯ ডিচেম্বৰ ১৯৯৮

# সাৰ্বজনীনভাবে স্বীকৃত মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ সুৰক্ষাৰ তথা প্ৰবৰ্তনৰ বাবে ব্যক্তি, গোট তথা সমাজৰ অংগসমুহৰ অধিকাৰ আৰু দায়িত্বৰ ঘোষণা

সাধাৰণ পৰিষদে,

পৃথিৱীৰ সকলো দেশৰ সকলো লোকৰ সকলো মানৱ অধিকাৰ তথা মৌলিক স্বাধীনতাৰ প্ৰবৰ্তন আৰু সুৰক্ষাৰ বাবে ৰাষ্ট্ৰ সংঘৰ চনদৰ উদ্দেশ্য আৰু নীতিৰ পৰ্য্যৱেক্ষণৰ গুৰুত্ব পুনৰ নিশ্চিত কৰি,

মানৱ অধিকাৰ তথা মৌলিক স্বাধীনতাৰ বাবে পৰ্য্যৱেক্ষণ তথা সাৰ্বজনীন সম্মানৰ প্ৰবৰ্তনৰ বাবে আন্তঃৰাষ্ট্ৰীয় প্ৰচেষ্টাৰ মুল উপাদান হিচাবে মানৱ অধিকাৰৰ ঘোষণা ২ আৰু মানৱ অধিকাৰৰ প্ৰস্তাৱ ২২০০ ৰ আন্তঃৰাষ্ট্ৰীয় সম্মিলনৰ অ (ৱৱৱঢ) পৰিশিষ্টৰ গুৰুত্ব তথা ৰাষ্ট্ৰসংঘৰ প্ৰণালীত অন্তৰ্ভুক্ত আৰু আন্বঞ্চলিক স্তৰত গ্ৰহণ কৰা

মানৱ অধিকাৰৰ অন্যান্য আহিলাসমূহৰ গুৰুত্বও পুনৰ নিশ্চিত কৰি,

আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ সকলো সদস্য/সদস্যাই যৌথভাবে আৰু পৃথক ভাবে জাতি, ধৰ্ম, বৰ্ণ, ভাষা, যৌনতা, ৰাজনৈতিক বা অন্য মতবাদ, জাতীয় বা সামাজিক মূল, সম্পত্তি, জন্ম বা অন্য স্থিতিৰ ভিত্তিত কোনো ধৰণৰ বৈষম্য অবিহনে সকলোৰে বাবে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰতি সম্মান প্ৰদৰ্শনত উৎসাহ দিয়া তথা প্ৰবৰ্তন কৰাৰ তেওঁলোকৰ গুৰুত্বপূৰ্ণ দ্বায়িত্বৰ ওপৰত গুৰুত্ব প্ৰদান কৰি, আৰু চনদত উল্লেখিত ধৰণে এই দায়িত্ব পালন কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ বিশেষ গুৰুত্ব পুনৰ নিশ্চিত কৰি,

বৰ্ণবৈষম্য, সকলো ধৰণৰ জাতিগত বৈষম্য, ঔপনিবেশিকতাবাদ, বিদেশী শাসন বা দখল, আক্ৰমণ বা জাতীয় সাৰ্বভৌমত্ব, জাতীয় ঐক্য, বা আঞ্চলিক অখণ্ডতালৈ ভাবুকি, আৰু আত্ম-নিয়ন্ত্ৰনৰ অধিকাৰ তথা সকলো ৰাইজৰ তেওঁলোকৰ সম্পদ আৰু প্ৰাকৃতিক সমলৰ ওপৰত তেওঁলোকৰ সম্পূৰ্ণ সাৰ্বভৌমত্বৰ অধিকাৰৰ পৰা বঞ্চিত কৰাৰ ফলত হোৱা যিকোনো ব্যাপক, অতিশয় চকুত পৰা বা প্ৰণালীগত ভাবে কৰা ৰাইজৰ তথা ব্যক্তি বিশেষৰ মানৱ অধিকাৰ তথা মৌলিক স্বাধীনতাৰ উলংঘন ফলপ্ৰসুভাবে নাইকিয়া কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ গুৰুত্ব তথা বিভিন্ন

ব্যক্তি, গোট আৰু সংগঠনসমূহৰ মূল্যবান কামৰ প্ৰতি স্বীকৃতি প্ৰদান কৰি,

আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু সুৰক্ষা তথা মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ উপভোগৰ মাজত থকা সম্পৰ্কক চিহ্নিত কৰি, আৰু সাৱধান কৰি দি যে আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু সুৰক্ষাৰ অনুপস্থিতিয়ে অবাধ্যতাক ক্ষমা নকৰে,

সকলো মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা সাৰ্বজনীন, অবিভাজ্য, পৰস্পৰ নিৰ্ভৰশীল তথা পৰস্পৰৰ লগত সম্পৰ্কিত আৰু প্ৰত্যেকটো অধিকাৰ আৰু স্বাধীনতা কাৰ্য্যত ৰূপায়িত কৰোতে নিৰপেক্ষ আৰু ন্যায়পূৰ্ণভাবে এইবোৰৰ প্ৰৰ্বতন আৰু প্ৰচলন কৰা উচিত বুলি পুনৰবাৰ দঢ়াই কৈ,

মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা প্ৰবৰ্তন আৰু সুৰক্ষাৰ প্ৰধান দায়িত্ব ৰাষ্ট্ৰৰ ওপৰত ন্যস্ত থাকে বুলি পুনৰবাৰ গুৰুত্বসহকাৰে কৈ,

ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰত মানৱ অধি-কাৰ আৰু মৌলিক স্বাধীনতাৰ বিষয়ে জ্ঞানৰ পৃষ্ঠপোষকতা কৰাৰ লগতে সেইবোৰৰ প্ৰতি সম্মান প্ৰদৰ্শনৰ ক্ষেত্ৰত ব্যক্তি গোট আৰু সংগ-ঠনসমূহৰ দায়িত্ব আৰু অধিকাৰ চিনাক্ত কৰি,

ঘোষণা কৰে যে,

## দফা ১

ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰত, ব্যক্তিগতভাবে অথবা সংঘবদ্ধভাবে, মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰবৰ্তন আৰু সেইবোৰৰ সুৰক্ষা আৰু উপলব্ধিৰ বাবে অহোপুৰুষাৰ্থ কৰিবলৈ সকলোৰে অধিকাৰ আছে।

## দফা ২

১. সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু অন্যান্য ক্ষেত্ৰত উপযুক্ত পৰিৱেশ সৃষ্টিৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰি, লগতে ইয়াৰ নিয়ন্ত্ৰনৰ সীমাৰ ভিতৰত থকা সকলো লোকে, ব্যক্তিগতভাবে বা আনৰ লগত সংঘবদ্ধ হৈ, সকলো অধিকাৰ আৰু স্বাধীনতা যাতে উপভোগ কৰিব পাৰে সেয়া নিশ্চিত কৰিবলৈ প্ৰয়োজনীয় আইনসন্মত আশ্বাস প্ৰদান কৰি মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ সুৰক্ষা, প্ৰবৰ্তন আৰু প্ৰয়োগ সকলো ৰাষ্ট্ৰৰ এটা প্ৰধান দায়িত্ব আৰু কৰ্তব্য।

২. বৰ্তমানৰ ঘোষণাত উল্লেখ কৰা অধিকাৰ আৰু স্বাধীনতা সম্পৰ্কে দিয়া আশ্বাস যাতে ফলপ্ৰসুভাবে কাৰ্য্যকৰী হয় সেয়া নিশ্চিত কৰিবলৈ প্ৰয়োজনীয় আইনসম্মত বিধান, প্ৰশাসনীয় আৰু অন্যান্য পদক্ষেপ সকলো ৰাষ্ট্ৰই গ্ৰহণ কৰিব লাগিব।

## দফা ৩

ৰাষ্ট্ৰ সংঘৰ চনদৰ লগত তথা মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ অন্যান্য আন্তঃৰাষ্ট্ৰীয় বাধ্যবাধকতাৰ লগত সঙ্গতি থকা দেশীয় আইন হ'ল এক ন্যায়িক কাঠামো যাৰ ভিতৰত মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা উপভোগ আৰু কাৰ্য্যকৰণ কৰা উচিত আৰু যাৰ ভিতৰত অধিকাৰ আৰু স্বাধীনতাবোৰৰ প্ৰচলন, সুৰক্ষা আৰু ফলপ্ৰসু উপলব্ধিৰ বাবে বৰ্তমানৰ ঘোষণাত উল্লেখিত সকলো কাৰ্য্য সম্পাদন কৰা উচিত।

দফা ৪

বৰ্তমানৰ ঘোষণাৰ কোনো কথা ৰাষ্ট্ৰ সংঘৰ চনদৰ নীতি আৰু উদ্দেশ্যৰ প্ৰতি হানিকাৰক বা বিপৰীত ধৰ্মী বুলি অথবা মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা ২, মানৱ অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় সম্মিলন ৩ ৰ দফাসমুহৰ লগত আৰু এই ক্ষেত্ৰত প্ৰযোজ্য অন্যান্য আন্তঃৰাষ্ট্ৰীয় আহিলা আৰু প্ৰতিশ্ৰুতিসমূহৰ পৰিপন্থী বা হানিকাৰক বুলি ব্যাখ্যা কৰিব নালাগিব।

দফা ৫

ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত ব্যক্তিগতভাবে আৰু সংঘবদ্ধভাবে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰচাৰ আৰু সুৰক্ষাৰ বাবে সকলোৰে তলত দিয়া অধিকাৰসমূহ আছেঃ

ক) শান্তিপূৰ্ণভাবে সমবেত হোৱা বা লগ পোৱা;

খ) অনা-চৰকাৰী সংগঠন, সংস্থা অথবা গোট গঠন কৰা, যোগদান কৰা আৰু অংশগ্ৰহণ কৰাৰ অধিকাৰ;

গ) অনা-চৰকাৰী অথবা আন্তঃ চৰকাৰী সংগঠনসমূহৰ লগত যোগাযোগ কৰাৰ অধিকাৰ।

দফা ৬

ব্যক্তিগতভাৱে আৰু আনৰ লগত সংঘবদ্ধ হৈ সকলোৰে তলত দিয়া অধিকাৰসমূহ আছেঃ

ক) সকলো মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ বিষয়ে জানিবলৈ, বিচাৰিবলৈ, পাবলৈ, গ্ৰহণ কৰিবলৈ আৰু সুচনা ৰাখিবলৈ অধিকাৰ আছে। দেশীয় আইন প্ৰণয়ন, ন্যায়িক আৰু প্ৰশাসনীয় ব্যৱস্থাত কেনেদৰে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাসমূহ প্ৰবৰ্তন কৰা হৈছে সেই বিষয়ে তথ্য আহৰণৰ অধিকাৰো ইয়াৰ অন্তৰ্ভুক্ত;

খ) মানৱ অধিকাৰ আৰু অন্যান্য উপযোগী আন্তঃৰাষ্ট্ৰীয় আহিলাসমূহত দিয়া ধৰণে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ বিষয়ে দৃষ্টিভঙ্গি, তথ্য আৰু জ্ঞান আনসকলৰ বাবে মুক্তভাৱে প্ৰকাশ কৰা, প্ৰদান কৰা অথবা প্ৰচাৰ কৰা;

গ) সকলো মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ পালন সম্পৰ্কে অধ্যয়ন, আলোচনা, গঠন আৰু মতামত পোষণ কৰিবলৈ আৰু এইবোৰ তথা অন্য উপযুক্ত উপায়ৰ জৰিয়তে ৰাইজৰ মনোযোগ আকৰ্ষণ কৰিবলৈ অধিকাৰ আছে।

## দফা ৭

ব্যক্তিগতভাবে আৰু আনৰ লগত সংঘবদ্ধ হৈ নতুন মানৱ অধিকাৰৰ ধাৰণা আৰু নীতিসমূহ অধ্যয়ন আৰু আলোচনা কৰিবলৈ আৰু সেইবোৰ গ্ৰহণ কৰিবৰ বাবে ওকালতি কৰিবলৈ সকলোৰে অধিকাৰ আছে।

## দফা ৮

১) ব্যক্তিগতভাবে আৰু আনৰ লগত সংঘবদ্ধ হৈ নিজৰ দেশৰ চৰকাৰ তথা ৰাজহুৱা ঘটনা প্ৰবাহৰ পৰিচালনাত অংশগ্ৰহণ কৰিবলৈ বৈষম্যহীনতাৰ ভিত্তিত বাস্তৱিক সুবিধা লাভৰ বাবে সকলোৰে অধিকাৰ আছে।

২) ব্যক্তিগতভাবে আৰু আনৰ লগত সংঘবদ্ধ হৈ চৰকাৰী বিভাগ তথা অভিকৰণসমূহক আৰু ৰাজহুৱা ঘটনা প্ৰবাহ সম্পৰ্কে উদ্বিগ্ন সংগঠনসমূহক সমালোচনা কৰা আৰু তেওঁলোকৰ কাৰ্য্যপালন উন্নত কৰিবলৈ প্ৰস্তাৱ আগবঢ়োৱাৰ লগতে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰচাৰ, সুৰক্ষা তথা উপলব্ধিৰ ক্ষেত্ৰত বাধা আগবঢ়াব পৰা তেওঁলোকৰ যিকোনো কামৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰাৰ অধিকাৰ ইয়াৰ অন্তৰ্গত।

দফা ৯

১) বৰ্তমান ঘোষণাত উল্লেখ কৰা ধৰণে মানৱ অধিকাৰৰ প্ৰচলন আৰু সুৰক্ষা সহ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ অনুশীলনত ব্যক্তিগতভাবে আৰু আনৰ লগত সংঘবদ্ধ হৈ এক কাৰ্য্যকৰী প্ৰতিকাৰৰ পৰা উপকৃত হবলৈ তথা এই অধিকাৰসমূহৰ উলংঘনৰ ঘটনাত সুৰক্ষা লাভ কৰিবলৈ সকলোৰে অধিকাৰ আছে।

২) এই লক্ষ্যত, যিসকলৰ অধিকাৰ বা স্বাধীনতা উলংঘন কৰা হৈছে তেওঁলোকে নিজে অথবা কোনো আইন সম্মত প্ৰতিনিধিৰ জৰিয়তে অভিযোগ কৰিবলৈ আৰু সেই অভিযোগ শীঘ্ৰে এক স্বাধীন, নিৰপেক্ষ তথা যোগ্য ন্যায়িক অথবা আইনৰ দ্বাৰা প্ৰতিষ্ঠিত কোনো কৰ্তৃপক্ষৰ আগত লোক শুনানীত পৰ্য্যালোচনা কৰিবলৈ আৰু যদি সেই ব্যক্তিৰ অধিকাৰ বা স্বাধীনতাৰ উলংঘন হৈছে তেন্তে এনে কৰ্তৃপক্ষৰ পৰা আইন অনুসৰি পাবলগীয়া ক্ষতিপূৰণৰ সৈতে প্ৰতিকাৰ আগবঢ়োৱা এক সিদ্ধান্ত পাবলৈ, আৰু অযথা বিলম্ব নোহোৱাকৈ সেই সিদ্ধান্ত আৰু পুৰস্কাৰ কাৰ্য্যত পৰিণত কৰিবলৈ তেওঁলোকৰ অধিকাৰ আছে।

৩) একে উদ্দেশ্যত, ব্যক্তিগতভাবে অথবা আনৰ লগত সংঘবদ্ধ হৈ, সকলোৰে নিম্নোক্ত অধিকাৰ

আছে ঃ

ক) যোগ্য দেশীয় ন্যায়িক, প্ৰশাসনিক অথবা আইন প্ৰনয়নকাৰী কৰ্তৃপক্ষ অথবা দেশৰ ন্যায় ব্যৱস্থাৰ দ্বাৰা অনুমোদিত অন্য কোনো যোগ্য কৰ্তৃপক্ষ, যিবোৰে অযথা বিলম্ব অবিহনে অভিযোগৰ ওপৰত তেওঁলোকৰ সিদ্ধান্ত জনোৱা উচিত, তেনে কৰ্তৃপক্ষৰ ওচৰত লিখিত অবেদন বা অন্য উপযুক্ত উপায়ৰ জৰিয়তে কোনো বিষয়া অথবা চৰকাৰৰ কোনো অংগৰ নীতি আৰু কাৰ্য্যৰ বিষয়ে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ উলংঘনৰ অভিযোগ আনিবলৈ;

খ) লোক শুনানী, মোকৰ্দমা আৰু বিচাৰত উপস্থিত থাকিবলৈ যাতে দেশীয় আইন তথা আন্তঃৰাষ্ট্ৰীয় বাধ্যবাধকতা আৰু প্ৰতিশ্ৰুতিসমুহ সেইবোৰে মানি চলিছে নে নাই সেই সম্পৰ্কে অভিমত গঠন কৰিব পাৰে;

গ) মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা সুৰক্ষিত কৰিবলৈ পেছাদাৰী গুণসম্পন্ন আইনী সাহায্য অথবা অন্য প্ৰাসঙ্গিক উপদেশ আৰু সাহায্য আগবঢ়াবলৈ।

৪. একে উদ্দেশ্যত, প্ৰযোজ্য হোৱা আন্তঃৰাষ্ট্ৰীয় আহিলা আৰু কাৰ্য্যপ্ৰণালীৰ লগত সঙ্গতি ৰাখি,

মানৱ অধিকাৰ তথা মৌলিক স্বাধীনতাৰ বিষয়সমূহত বিভিন্ন ধৰণৰ যোগাযোগসমূহ গ্ৰহণ কৰিবলৈ আৰু সেইবোৰ বিৱেচনা কৰিবলৈ সাধাৰণ বা বিশেষ যোগ্যতা থকা আন্তঃৰাষ্ট্ৰীয় সমিতিবোৰৰ লগত যোগাযোগৰ লগতে সুবিধা লাভত বাধা নাইকিয়া কৰিবলৈ ব্যক্তিগতভাবে তথা আনৰ লগত সংঘবদ্ধ হৈ কাম কৰিবলৈ সকলোৰে অধিকাৰ আছে।

৫. ৰাষ্ট্ৰৰ এক্তিয়াৰৰ ভিতৰত যিকোনো অন্বঞ্চলত যেতিয়াই মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ উলংঘন হৈছে বুলি বিশ্বাস কৰিবলৈ যুক্তিযুক্ত ভিত্তি থাকিব তেতিয়াই ৰাষ্ট্ৰই অবিলম্ব আৰু নিৰপেক্ষ অনুসন্ধান অনুষ্ঠিত কৰিব লাগিব অথবা অনুসন্ধান কৰিব বুলি নিশ্চিতি দিব লাগিব।

## দফা ১০

কোনো কাৰ্য্য কৰি বা কোনো আৱশ্যকীয় কাৰ্য্য কৰাৰ পৰা বিৰত থাকি কোনেও মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা উলংঘনত অংশগ্ৰহণ কৰিব নোৱাৰিব তথা মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা উলংঘন কৰিবলৈ অস্বীকাৰ কৰা বাবে কোনেও শাস্তি বা প্ৰতিকূল মোকৰ্দমাৰ সম্মুখীন হব নোৱাৰিব।

## দফা ১১

ব্যক্তিগতভাৱে আৰু আনৰ লগত সংঘবদ্ধ হৈ আইনসংগত ভাবে নিজৰ বৃত্তি বা জীৱিকা নিৰ্বাহ কৰিবলৈ সকলোৰে অধিকাৰ আছে। যিসকলে তেওঁলোকৰ বৃত্তি বা পেছাৰ জৰিয়তে আনৰ মানবীয় মৰ্য্যদা, মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাক আঘাত কৰে তেওঁলোকে আনৰ অধিকাৰ আৰু স্বাধীনতাক সম্মান জনোৱা উচিত আৰু প্ৰাসঙ্গিক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বৃত্তিগত আৰু পেছাগত আচৰণ আৰু নীতিসমূহ মানি চলা উচিত।

## দফা ১২

১. ব্যক্তিগতভাৱে আৰু আনৰ লগত সংঘবদ্ধ হৈ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ উলংঘনৰ শান্তিপূৰ্ণ প্ৰতিবাদী কাৰ্য্যত অংশগ্ৰহণ কৰিবলৈ সকলোৰে অধিকাৰ আছে।

২. ব্যক্তিগতভাৱে আৰু আনৰ লগত সংঘবদ্ধ হৈ বৰ্তমানৰ ঘোষণাত উল্লেখিত অধিকাৰৰ যুক্তিসঙ্গত অনুশীলনৰ ফলত কোনো ব্যক্তিয়ে সম্মুখীন হব পৰা যিকোনো ধৰণৰ হিংসা, ভাবুকি, প্ৰতিহিংসা, বাস্তৱিক বা আইন সম্মত বিৰূপ বৈষম্য, চাপ, বা অন্য কোনো

ধৰণৰ অন্যায় কাৰ্য্যৰ পৰা উপযুক্ত কৰ্তৃপক্ষৰ দ্বাৰা সুৰক্ষা নিশ্চিত কৰিবলৈ ৰাষ্ট্ৰই প্ৰয়োজনীয় সকলো কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

৩. এই সংক্ৰান্তত, ৰাষ্ট্ৰ জড়িত মানৱ অধিকাৰ উলংঘন আৰু মৌলিক স্বাধীনতাৰ উলংঘন হোৱাকৈ কৰ্তব্য অৱহেলাকে আদি কৰি সমূহ কাৰ্য্য আৰু কাৰ্য্যাৱলীৰ লগতে কোনো গোট বা ব্যক্তিৰ দ্বাৰা সংঘটিত মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা উপভোগত বাধাৰ সৃষ্টি হোৱা হিংসাত্মক কাৰ্য্যৰ পৰা ৰাষ্ট্ৰীয় আইনৰ অধীনত ফলপ্ৰসুভাবে সুৰক্ষিত হ'বৰ বাবে শান্তিপূৰ্ণ উপায়ে ব্যক্তিগত বা সংঘবদ্ধ হৈ বিৰূদ্ধাচৰণ কৰিবলৈ সকলোৰে অধিকাৰ আছে।

## দফা ১৩

বৰ্তমানৰ ঘোষণাৰ দফা ৩ অনুসৰি শান্তিপূৰ্ণ উপায়ে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰচাৰ আৰু সুৰক্ষাৰ উদ্দেশ্যে ব্যক্তিগতভাবে আৰু আনৰ লগত সংঘবদ্ধ হৈ সমল বিচাৰিবলৈ, পাবলৈ আৰু ব্যৱহাৰ কৰিবলৈ সকলোৰে অধিকাৰ আছে।

## দফা ১৪

১. ৰাষ্ট্ৰৰ এক্তিয়াৰৰ অধীনত থকা সকলো লোকে যাতে তেওঁলোকৰ নাগৰিক, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সম্পৰ্কে ভালদৰে বুজি পায় তাৰ বাবে প্ৰয়োজনীয় আইন প্ৰণয়ন, ন্যায়িক, প্ৰশাসনীয় অথবা অন্য উপযুক্ত কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰাটো ৰাষ্ট্ৰৰ দায়িত্ব ।

২. এই কাৰ্য্য ব্যৱস্থাৰ ভিতৰত অন্তৰ্ভুক্ত হব লাগিবঃ

ক) দেশীয় আইন তথা বিধিব্যৱস্থা আৰু প্ৰযোজ্য হোৱা মৌলিক আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰৰ অহিলাসমূহৰ ব্যাপক প্ৰচাৰ আৰু সহজলভ্যতা;

খ) আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ চুক্তিসমূহে গঠন কৰা সমিতিক ৰাষ্ট্ৰপক্ষই দিয়া সাময়িক প্ৰতিবেদন আৰু এই সমিতিসমূহৰ আনুষ্ঠানিক প্ৰতিবেদন তথা আলোচনাসমূহৰ সাৰাংশ সমন্বিতে  মানৱ অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় নথিপত্ৰসমূহ সমান আৰু সম্পূৰ্ণকৈ পোৱাৰ সুবিধা।

৩. ৰাষ্ট্ৰৰ এক্তিয়াৰৰ ভিতৰত পৰা সকলো অন্বঞ্চলতে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰচাৰ আৰু সুৰক্ষাৰ বাবে লোকপাল অথবা মানৱ অধিকাৰ আয়োগ অথবা অন্য কোনো ধৰণৰ স্বাধীন ৰাষ্ট্ৰীয়

অনুষ্ঠানৰ সৃষ্টি আৰু উন্নয়নৰ বাবে ৰাষ্ট্ৰই নিশ্চিতি প্ৰদান কৰিব লাগিব আৰু প্ৰয়োজন সাপেক্ষে সহযোগ আগবঢ়াব লাগিব।

## দফা ১৫

শিক্ষাৰ সকলো স্তৰতে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ শিক্ষা প্ৰচাৰ কৰা আৰু তাৰবাবে সুবিধা আগবঢ়োৱা তথা উকীল, আইন বলবৎকাৰী বিষয়া, সেনাবাহিনীৰ লোক আৰু চৰকাৰী বিষয়াসকলৰ প্ৰশিক্ষণৰ কাৰ্য্যক্ৰমত মানৱ অধিকাৰৰ শিক্ষাৰ যথোপযুক্ত উপাদানসমূহৰ অন্তৰ্ভুক্তকৰণ নিশ্চিত কৰাৰ দায়িত্ব ৰাষ্ট্ৰৰ ওপৰত ন্যস্ত আছে।

## দফা ১৬

তেওঁলোকে কাম কৰা সমাজ আৰু সম্প্ৰদায়সমূহৰ বিভিন্ন পৃষ্ঠভূমিৰ কথা মনত ৰাখি দেশসমূহৰ মাজত তথা সকলো জাতিগত আৰু ধৰ্মীয় গোটসমূহৰ মাজত বুজাবুজি, সহনশীলতা, শান্তি আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক শক্তিশালী কৰিবলৈ মানৱ অধিকাৰ আৰু মৌলিক স্বধীনতাৰ লগত সম্পৰ্ক থকা প্ৰশ্নবোৰৰ বিষয়ে ৰাইজক সজাগ কৰিবলৈ বিভিন্ন ব্যক্তি, অনা-

চৰকাৰী সংগঠনসমূহ আৰু প্ৰাসঙ্গিক অনুষ্ঠানসমূহে বিভিন্ন কাৰ্য্যকলাপ যেনে শিক্ষা, প্ৰশিক্ষণ আৰু গৱেষণা আদিৰ জৰিয়তে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগে।

## দফা ১৭

বৰ্তমানৰ ঘোষণাত উল্লেখ কৰা অধিকাৰ আৰু স্বাধীনতাৰ অনুশীলন কৰোতে, প্ৰত্যেকেই, ব্যক্তিগতভাবে বা আনৰ লগত সংঘবদ্ধ হৈ, কেৱল সেইবোৰ প্ৰতিবন্ধকতাৰ ওচৰতহে সেও মানিব, যিবোৰ আন্তঃৰাষ্ট্ৰীয় বাধ্যবাধকতা অনুসৰি প্ৰযোজ্য আৰু আনৰ স্বাধীনতা তথা অধিকাৰৰ লগতে নৈতিকতাৰ বাবে প্ৰয়োজনীয় ৰাজহুৱা আইন-শৃংখলা আৰু গণতান্ত্ৰিক সমাজৰ সামূহিক কল্যাণক সম্মান তথা যথাযোগ্য স্বীকৃতি প্ৰদান কৰা আইনৰ দ্বাৰা নিৰূপিত ।

## দফা ১৮

১. যি সম্প্ৰদায়ৰ মাজত তেওঁৰ ব্যক্তিত্বৰ মুক্ত আৰু সম্পূৰ্ণ বিকাশ সম্ভব সেই সম্প্ৰদায়ৰ ভিতৰত আৰু সেই সম্প্ৰদায়ৰ প্ৰতি সকলোৰে কৰ্তব্য আছে।

২. গণতন্ত্ৰক ৰক্ষা কৰিবলৈ, মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰচাৰ বৃদ্ধি কৰিবলৈ তথা গণতান্ত্ৰিক সমাজ, অনুষ্ঠান আৰু প্ৰক্ৰিয়াৰ উন্নতি আৰু অগ্ৰসৰত বৰঙণি যোগাবলৈ ব্যক্তি, গোট, অনুষ্ঠান তথা অনা-চৰকাৰী সংগঠনসমুহৰ গুৰুত্বপূৰ্ণ ভূমিকা তথা দায়িত্ব আছে।

৩. সাৰ্বজনীন মানৱ অধিকাৰৰ ঘোষণা আৰু অন্যান্য মানৱ অধিকাৰ আহিলাসমূহত নিৰ্দিষ্ট কৰা ধৰণে অধিকাৰ আৰু স্বাধীনতাবোৰ সম্পূৰ্ণৰূপে উপলব্ধি কৰিব পৰা সামাজিক আৰু আন্তঃৰাষ্ট্ৰীয় শৃংখলাপূৰ্ণ ব্যৱস্থাৰ বাবে সকলোৰে অধিকাৰ আছে আৰু এই অধিকাৰৰ প্ৰচাৰৰ বাবে বৰঙণি যোগাওতে ব্যক্তি, গোট, অনুষ্ঠান আৰু অনা-চৰকাৰী সংগঠনসমুহৰ গুৰুত্বপূৰ্ণ ভূমিকা তথা দায়িত্ব আছে।

## দফা ১৯

এই ঘোষণাত থকা কোনো কথা এনেদৰে ব্যাখ্যা কৰিব নালাগিব যাতে কোনো ব্যক্তি, গোট, অথবা সমাজৰ কোনো অংগই অথবা ৰাষ্ট্ৰই বৰ্তমানৰ ঘোষনাত উল্লেখিত অধিকাৰ আৰু স্বাধীনতাবোৰ ধংস কৰিব পৰাকৈ কোনো কাৰ্য্যত জড়িত হব পাৰে বা কোনো কাম কৰিবলৈ অধিকাৰ থকা বুলি সুচায়।

দফা ২০

বৰ্তমানৰ ঘোষণাত থকা কোনো কথাই ৰাষ্ট্ৰসংঘৰ চনদৰ দফাসমূহৰ পৰিপন্থী ব্যাক্তি, গোট, অনুষ্ঠান অথবা অনা-চৰকাৰী সংগঠনসমূহৰ কাম কাজত ৰাষ্ট্ৰই সহযোগকৰা ধৰণে অথবা অনুমতি প্ৰদান কৰা ধৰণেৰে ব্যাখ্যা কৰিব নালাগিব।